মোৰ ওপৰত এনেকুৱা কিছুমান আয়াত অৱতীৰ্ণ হৈছে , যেনেকুৱা আয়াত পূৰ্বে কেতিয়াও দেখা যোৱা নাই। সেয়া হৈছে ছুৰা ফালাক্ব আৰু ছুৰা নাছ।

উক্ববাহ বিন আমিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ ওপৰত এনেকুৱা কিছুমান আয়াত অৱতীৰ্ণ হৈছে, যেনেকুৱা আয়াত পূৰ্বে কেতিয়াও দেখা যোৱা নাই। সেয়া হৈছে ছুৰা ফালাক্ব আৰু ছুৰা নাছ। "
[ছহীহ] [(মুছলিম)]

উক্ববা বিন আমিৰ ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে , নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক জনাইছে যে , যোৱা ৰাতি আল্লাহে মোৰ ওপৰত এনেকুৱা কিছুমান আয়াত অৱতীৰ্ণ কৰিছে , (আশ্ৰয় প্ৰাৰ্থনা কৰাৰ ক্ষেত্ৰত) এনেকুৱা আয়াত ইতিপূৰ্বে দেখা হোৱা নাছিল। সেই দুটা হৈছে ছুৰা ফালাক্বা {قُلْ أَعُوذُ بِرَبِّ الْفَلَقِ} আৰু ছুৰা নাছ {قُلْ أَعُوذُ بِرَبِّ النَّاسِ}।

http://www.sunnah.global/hadeeth/as/show/65448